**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-04-2026 **Time:** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। আকাশবাণীৰ মন কী বাতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলক পুনৰ অষ্টলক্ষ্মী হিচাপে অভিহিত কৰি অঞ্চলটোত প্ৰচুৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰে।

২। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ ২৪ ঘণ্টাৰো কম সময় বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে ছিকিম ভ্ৰমণ কৰিব।

৪। সমাগত দশকসমূহত দেশৰ প্ৰযুক্তিগত সামৰ্থ্যই নতুন দিগন্ত স্পৰ্শ কৰিব বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ এখন খেলত চেন্নাই ছুপাৰ কিংছে গুজৰাট টাইটনছক জয়ৰ বাবে ১৫৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰে। এয়া আছিল অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ প্ৰগতিৰ সৈতে বিজ্ঞানক সদায় জড়িত কৰা হৈছে। দেশৰ বিজ্ঞানীসকলে অসামৰিক পাৰমানবিক কাৰ্যসূচী আগবঢ়াই নি ৰাষ্ট্ৰ নিৰ্মাণত ভূমিকা পালন কৰাৰ কথা প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বায়ু শক্তিৰ বিষয়ে উল্লেখ কৰি কয়, যে এই শক্তিয়ে ভাৰতৰ বিকাশৰ গতি তীব্ৰ কৰি তুলিছে। আজি ভাৰত বায়ু শক্তিৰ সক্ষমতাৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰত চতুৰ্থ স্থানত থকাৰ কথা প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। গুজৰাটৰ কচ্ছ, পাটন আৰু বানচকণ্ঠৰ দৰে অঞ্চলসমূহত বৃহৎ নবীকৰণযোগ্য শক্তি উদ্যান নিৰ্মাণ কৰি থকাৰ কথাও প্ৰধানমন্ত্ৰী মোদীয়ে মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে।

মন কী বাতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলক পুনৰ অষ্টলক্ষ্মী হিচাপে অভিহিত কৰি কয়, যে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰচুৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলৰ বাঁহ শিল্পৰ কথা বিশেষভাৱে এই অনুষ্ঠানত উল্লেখ কৰে। নাগালেণ্ডৰ কেইবাটাও আত্মসহায়ক গোটৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই আত্মসহায়ক গোটবোৰে বাঁহৰ পৰা তৈয়াৰী বিভিন্ন খাদ্যবস্তুৰ সফল ব্যৱসায় আৰম্ভ কৰিছে। মিজোৰামৰ কেতবোৰ গোটে বাঁহৰ টিছু কালচাৰ আৰু পলি হাউচ মেনেজমেণ্টৰ ক্ষেত্ৰত কাম কৰি থকাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ বাঁহৰ দ্বাৰা নিৰ্মিত সামগ্ৰী ক্ৰয় কৰাৰ লগতে এনে সামগ্ৰী উপহাৰ হিচাপে ব্যৱহাৰ কৰিবলৈও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ ২৪ ঘণ্টাৰো কম সময় বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। ৰাজ্যখনত অহা বুধবাৰে দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হুগলী জিলাৰ আৰমবাগ আৰু দক্ষিণ চৌবিবশ পৰগনা জিলাৰ বনগাঁৱত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীমোদীয়ে শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছৰ দুৰ্নীতি আৰু প্ৰশাসনিক বিফলতাই জনসাধাৰণক নতুন চিন্তাৰ বাবে সাজু কৰিছে। বৰ্তমান ৰাজ্যখনৰ পৰা তৃণমূল কংগ্ৰেছক আঁতৰোৱাৰ সংকল্প অধিক শক্তিশালী হৈ পৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে আজি নাদিয়া জিলাৰ টেহট্টাত প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰীশ্বাহে ৰাজ্যখনত বিজেপিয়ে চৰকাৰ গঠন কৰিলে অহা মে'ৰ পৰা মহিলাসকলক ৩ হাজাৰ টকাকৈ, নিবনুৱা যুৱকসকলক ৩ হাজাৰ টকাকৈ আৰু গৰ্ভৱতী মহিলাসকলক ২১ হাজাৰ টকাকৈ মাহিলী সাহায্য প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। ইপিনে তৃণমূল কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী মমতা বেনাৰ্জী আৰু দলৰ সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে নিজ নিজ সমষ্টি তথা বিভিন্ন ঠাইত ৰেলী আৰু ৰোডশ্ব'ত অংশ লৈ ভোটদাতাৰ মন জয়ৰ চেষ্টা চলায়।

উল্লেখযোগ্য যে পশ্চিমবংগৰ দুটা পৰ্যায়ৰ ভোটগ্ৰহণকে ধৰি অসম, কেৰালা, তামিলনাডু আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰী বিধানসভা নিৰ্বাচনৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে ছিকিম ভ্ৰমণ কৰিব। শ্ৰীমোদীয়ে অহা মঙলবাৰে গেংটকৰ অৰ্চিদাৰিউম ভ্ৰমণ কৰিব। উল্লেখযোগ্য যে এই অঞ্চলটোত ৰাজ্যখনৰ পৰিৱেশ আৰু ঐতিহ্যশালী পুষ্পসম্ভাৰ প্ৰদৰ্শন কৰিবলৈ বিশ্বমানৰ অৰ্কিড অভিজ্ঞতা কেন্দ্ৰ আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে পালজোৰ ষ্টেডিয়ামত ৰাজ্যখনৰ ৫০ সংখ্য প্ৰতিষ্ঠা দিৱস উদযাপন কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত শ্ৰীমোদীয়ে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত প্ৰায় ৪ হাজাৰ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কিছুসংখ্যক প্ৰকল্প মুকলি কৰিব। ৰাজ্যখনৰ সৰ্বাত্মক উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই প্ৰকল্পসমূহৰ অধীনত পৰ্যটন, কৃষি, পৰিৱেশ, নগৰ উন্নয়ন, শক্তি, শিক্ষা, স্বাস্থ্য সেৱা, যোগাযোগ তথা আন্তঃগাঁথনিকে ধৰি বিভিন্ন খণ্ডক সামৰি লোৱা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে এন আই টি দেওৰালীত ৩০খন বিছনাযুক্ত  সংহত ছোৱা ৰিগ্‌পা চিকিৎসালয় আৰু নামচি জিলাৰ য়াংগাঙত ১০০খন বিছনাযুক্ত আয়ুৰ্বেদ চিকিৎসালয়ৰো আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে নামনি চামদং, নামচি আৰু গেংটক জিলাৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে চিৰৱানীত  তিস্তা নৈৰ ওপৰত দুখনকৈ দুই-শৰীয়া বিশেষ দলঙৰ আধাৰশিলাও স্থাপন কৰিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা মঙলবাৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ প্ৰদেশ ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে বাৰানসীত অনুষ্ঠিত হ'বলগীয়া এখন মহিলা সন্মিলনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীযে ৬ হাজাৰ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষে ৰাজ্যখনত নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে অযোধ্যাৰ পৰা মুম্বাইলৈ আৰু বাৰানসীৰ পৰা পুণেলৈ দুখন নতুন

অমৃত ভাৰত এক্সপ্ৰেছ ৰে'ল সেৱা পতাকা জোকাৰি মুকলি কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে শ্ৰীকাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা কৰিব। এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা বুধবাৰে হাৰ্ডৈলৈ গৈ গংগা এক্সপ্ৰেছৱে মুকলি কৰিব। উল্লেখযোগ্য যে ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দ্ৰুতগতিৰ ঘাইপথটো ছয়-শৰীয়া যদিও ইয়াক আঠ-শাৰীলৈ সম্প্ৰসাৰণ কৰাৰ সুবিধা আছে। ৩৬ হাজাৰ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষে এই প্ৰকল্পটো নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে মীৰাটৰ পৰা প্ৰয়াগৰাজলৈ আহ-যাহ কৰোতে বৰ্তমান প্ৰয়োজন হোৱা ১০ পৰা ১২ ঘণ্টা সময় ছঘণ্টালৈ হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। উল্লেখযোগ্য যে শ্বাহজাহানপুৰ জিলাত এই পথছোৱাৰ ভিতৰৰ চাৰে-তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ এছোৱা পথত জৰুৰীকালীন বিমান অৱতৰণৰ সুবিধা আছে।

oooooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অন্ধ্ৰ প্ৰদেশ ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ বিশাখাপট্টনমত অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

oooooooo

সমাগত দশকসমূহত দেশৰ প্ৰযুক্তিগত সামৰ্থ্যই নতুন দিগন্ত স্পৰ্শ কৰিব বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলছত পেন আই আই টিৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনত ভাৰ্চুৱেল পদ্ধতিৰে অংশগ্ৰহণ কৰি তেওঁ এই কথা প্ৰকাশ কৰে। এই অনুষ্ঠানত ড০ সিঙে শেহতীয়া প্ৰযুক্তিসমূহৰ ক্ষেত্ৰত বিশ্বত আগশাৰীৰ স্থান লাভ কৰিবলৈ দেশ অগ্ৰসৰ হোৱা বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰযুক্তিৰ ক্ষেত্ৰত কেৱল ব্যৱহাৰকাৰী হিচাপে পৰিগণিত হোৱাৰ পৰিৱৰ্তে দেশ উদ্ভাৱক, শৈলী প্ৰস্তুতকৰ্তা তথা উদ্ভাৱনৰ গোলকীয় পথ প্ৰদৰ্শক হোৱাৰ দিশে অগ্ৰসৰ হোৱা উচিত। তেওঁ লগতে শিক্ষা তথা শৈক্ষিক প্ৰতিষ্ঠানসমূহ নতুন আৰ্হিৰ সৈতে শৈক্ষিক জগত, উদ্যোগ আৰু চৰকাৰৰ মাজত গভীৰ সহযোগিতাৰ প্ৰয়োজন বুলি উল্লেখ কৰে। ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ প্ৰাক্তন শিক্ষাৰ্থীসকলকে ধৰি বিদেশত থকা ভাৰতীয় নাগৰিকসকলৰ ভূমিকাৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে তেওঁলোকক দেশ আৰু গোলকীয় উদ্ভাৱনী পৰিৱেশতন্ত্ৰৰ মাজৰ মুখ্য সংযোগকাৰী হিচাপে অভিহিত কৰে। তেওঁ লগতে কয় যে বিনিয়োগ, পৰামৰ্শদাতা, শৈক্ষিক সহযোগিতা তথা নীতি নিৰ্ধাৰণ সংক্ৰান্তীয় গুৰুত্বৰ মাধ্যমেৰে তেওঁলোকে দেশৰ প্ৰগতিৰ যাত্ৰা ত্বৰান্বিত কৰিছে।

এই সন্মিলনত গোলকীয় প্ৰযুক্তি খণ্ডৰ কৰ্ণধাৰসকল, উদ্যমী, গৱেষক তথা বিনিয়োগকাৰীসকলে অংশগ্ৰহণ কৰে। এই সন্মিলনৰ জৰিয়তে উদ্যোগ খণ্ডৰ নেতা, ষ্টাৰ্টআপৰ সূচনা কৰা কেইবাগৰাকীও লোক তথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ উদ্ভাৱনী পৰিৱেশতন্ত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা জ্যেষ্ঠ বৃত্তিধাৰীসকলকে ধৰি বিদেশত থকা আগশাৰীৰ ভাৰতীয় নাগৰিকসকলে মত-বিনিময় কৰাৰ সুযোগ লাভ কৰে।

oooooooo

ভাৰতত বৰ্তমান বহুকেইটা অঞ্চলত তীব্ৰ গ্ৰীষ্মপ্ৰবাহৰ পৰিস্থিতি দেখা গৈছে। বিশ্বৰ ১০০ খন আটাইতকৈ গৰম চহৰৰ ভিতৰত ৯৫ খন চহৰৰ সৈতে দেশৰ বৰ্ধিত উষ্ণতাই উদ্বেগৰ সৃষ্টি

কৰিছে। বিশ্বব্যাপী গ্ৰীষ্মপ্ৰবাহৰ প্ৰৱণতাৰ তথ্য অনুসৰি, চহৰ আৰু গ্ৰাম্য অঞ্চল উভয়তে ভাৰতে অভিলেখ ভংগকাৰী তাপ অনুভৱ কৰিছে, যাৰ ফলত ই বিশ্বব্যাপী গ্ৰীষ্মপ্ৰবাহৰ কেন্দ্ৰত পৰিণত হৈছে। বহু অঞ্চলৰ তাপমাত্ৰা ৪০ ডিগ্ৰী চেলছিয়াছ অতিক্ৰম কৰি কিছু সংখ্যক অঞ্চলত ৪৫ ডিগ্ৰী চেলছিয়াছৰ ওচৰ চাপিছে। দিল্লী, উত্তৰ প্ৰদেশৰ লক্ষ্ণৌ, মহাৰাষ্ট্ৰৰ নাগপুৰা আৰু আকোলা, ওড়িশাৰ ভুৱনেশ্বৰ আৰু মধ্য প্ৰদেশৰ ভূপালৰ দৰে চহৰত স্বাভাৱিক স্তৰতকৈ উষ্ণতা বৃদ্ধি পাইছে, যিয়ে জনস্বাস্থ্য আৰু সুৰক্ষাক লৈ উদ্বেগৰ সৃষ্টি কৰিছে। বৰ্ধিত উষ্ণতাৰ মাজতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জনসাধাৰণক তাপজনিত ৰোগৰ পৰা হাত সাৰিবলৈ সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে।

বতৰ বিজ্ঞান বিভাগে অহা তিনি দিনত দেশৰ উত্তৰ-পশ্চিম আৰু মধ্য অংশত তাপপ্ৰবাহৰ পৰিস্থিতিৰ পূৰ্বানুমান কৰিছে। বিভাগৰ তথ্য অনুসৰি জম্মু-কাশ্মীৰ, লাডাখ, হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশ, পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড় আৰু দিল্লীত কাইলৈ পৰ্যন্ত গ্ৰীষ্মপ্ৰবাহ অপৰিৱৰ্তিত হৈ থাকিব। ইফালে, বতৰ বিভাগে কাইলৈ অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ বিছিন্ন ঠাইত বৰষুণৰ পূৰ্বানুমান কৰিছে।

oooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটনছে চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে। চেন্নাইয়ে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে ১৬ অভাৰ আৰু ৪ বলত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত কিছু সময় পাছতে হ'বলগীয়া আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ- কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্ণৌয়ে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে।

oooooooo

সমাপ্ত